**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-07-2025 **Time :** 1800 Hrs.

## Assamese Evening Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত উদ্ভৱ হোৱা বান পৰিস্থিতিৰ বুজ ল'বলৈ কাইলৈ জিলাখনলৈ ৰাওনা হ'ব। মুখ্যমন্ত্ৰীৰ আগমনৰ পূৰ্বে সৰুপথাৰৰ বিধায়ক বিশ্বজিত ফুকনে আজি সৰুপথাৰ সমজিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে চেৰাগুৰি ফিল্ডত হেলিপেডৰ স্থান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীৰ আগমনৰ প্ৰস্তুতিৰ বুজ লয়।

নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ খন ৰাজহ  চক্ৰ আজি ৮ দিন ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ স্থাপন কৰি জিলা প্ৰশাসনে বন্যাৰ্তলৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানৰ কবলত পৰাৰ বিপৰীতে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। সেইদৰে গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলৰ সৌজন্যত ১০ জুলাইৰ পৰা কাজিৰঙাত ১৭ সংখ্যক প্ৰকৃতি শিবিৰ অনুষ্ঠিত হৈছে। এই আৱাসিক শিবিৰত স্থানীয় বিদ্যালয়সমূহৰ শতাধিক শিক্ষাৰ্থীয়ে পক্ষী নিৰীক্ষণ আৰু প্ৰকৃতি অধ্যয়ন সন্দৰ্ভত প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

oooooo

ৰাজ্যত ২০১৯ চনৰ পৰা ২০২৪ চনৰ ভিতৰত মাছৰ উৎপাদন দুগুণলৈ বৃদ্ধি পাই ৪ লাখ ৯৯ হাজাৰ মেট্ৰিক টন হৈছে আৰু ৰাজ্যখনৰ সম্প্ৰতি দেশৰ চতুৰ্থ সৰ্ববৃহৎ মৎস্য উৎপাদকাৰী হিচাপে  পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ বগীবাৰীত আগশাৰী স্বেচ্ছাসেৱী সংস্থা কলং-কপিলীৰ সহযোগিতাত দেশৰ প্ৰথমখন জল প্ৰযুক্তি উদ্যান বা একুৱাটেক পাৰ্ক মুকলি কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসমে সকলো ক্ষেত্ৰত দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিবলৈ সমৰ্থ হ'ব। ড০ শৰ্মাই কয় যে একুৱাটেক পাৰ্কখনে ৰাজ্যত পাছৰ উৎপাদন বৃদ্ধিত অৰিহনা যোগাব আৰু যুৱক-যুৱতীসকলৰ বাবে আয়ৰ অপাৰ সুযোগ প্ৰদান কৰিব। উদ্যানখন মীন পালন খণ্ডৰ বিকাশৰ আৰ্হিৰূপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে দ্বৈত ইঞ্জিনযুক্ত চৰকাৰখনে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ দৰে আঁচনিৰ জৰিয়তে ৰাজ্যত মীন পালন খণ্ডৰ বিকাশৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে চৰকাৰে ৰাজ্যৰ মীন পালন খণ্ডক পুনৰুজ্জীৱিত কৰি তোলাই নহয়, বৰং ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাতো ফেৰ

মাৰিব পৰা কৰি তুলিছে। আজি মুকলি কৰা উদ্যানখনৰ জৰিয়তে একুৱাপনিক্স, বায়'ফ্লক, মাছৰ আধুনিক খাদ্য উৎপাদন, আলংকাৰিক মাছৰ প্ৰজনন আদিৰ দৰে প্ৰযুক্তিসমূহৰ ব্যৱহাৰ প্ৰদৰ্শিত হ'ব।

০০০০০০০

লখিমপুৰ জিলাৰ বিহপুৰীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ডঃ ৰাতুল বৰাৰ নেতৃত্বত ৬৩৩ নম্বৰ বালিপুখুৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছদিনীয়া শিবিৰৰ আজি সামৰণি পৰে। যোৱা ৬ জুলাইত এই শিবিৰ মুকলি কৰা হৈছিল। ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজৰ সামাজিক দায়বদ্ধতা, সামাজিক শৃংখলা আৰু সমাজ সেৱাৰ মনোভাৱেৰে গঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিভিন্ন কাৰ্যসূচীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত কেইবাটাও দিশত সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মাদক দ্ৰব্য সেৱনৰ বিৰুদ্ধে এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। শিবিৰত প্ৰতিটো সন্ধিয়া ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশৰ লক্ষ্যৰে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

০০০০০০

ধেমাজী জিলাৰ চিলাপথাৰত ১০ জুলাইৰ পৰা অনুষ্ঠিত হোৱা সদৌ অসম মাধ্যমিক বিদ্যালয়ৰ কাৰ্যালয় সহায়ক সন্থাৰ ১৯ সংখ্যক ৰাজ্যিক প্ৰতিবেদনখনি আজি সামৰণি পৰে। চিলাপথাৰ আৱাসীক উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অধিবেশনৰ আজি অন্তিম দিনা  হোৱা স্মৃতি তৰ্পন, পতাকা উত্তোলন, গছপুলি ৰোপণৰ কাৰ্যসূচীৰ পাছত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাতে সহায়ক শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচিত হয়। ৰাজ্যৰ  ভিন্ন প্ৰান্তৰ ছয় শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা অধিবেশনখনিৰ জৰিয়তে নতুন কাৰ্যালয় সহায়ক সকলক পদোন্নতিকে ধৰি কেইবাটাও দাবী তথা সমস্যা সমাধানৰ বাবে চৰকাৰক আহ্বান জনোৱা হয়।

০০০০০০

ৰাজ্যৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে অহা ১৬ জুলাইৰ দিনৰ ১১ বজাৰ পৰা তেজপুৰত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰত এই নামভৰ্তি অভিযান অনুষ্ঠিত হ'ব। আই টি ই ই এছ ছিংগাপুৰৰ সহযোগিতাৰে অসম দক্ষতা বিকাশ অভিযানৰ অধীনৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত সৌন্দৰ্য  চৰ্চা আৰু স্বাস্থ্য যতন, খুচুৰা সেৱাকে ধৰি বিভিন্ন বিষয়ৰ উচ্চমানৰ বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ নামভৰ্তিৰ বাবে প্ৰাৰ্থীসকল অনুসূচীত জাতিৰ হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষাৰ্থীৰ বয়স ১৭ৰ পৰা ২৫ৰ বছৰৰ ভিতৰত হ'ব লাগিব। ১৬ জুলাইত হ'বলগীয়া কাৰ্যসূচীত ইচ্ছুক প্ৰাৰ্থীসকলৰ বাবে থিতাতে নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

**সমাপ্ত**